**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 20-12-2024
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
-----------------------

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এটা অনুষ্ঠানত ছেকেন্দ্ৰাবাদৰ প্ৰতিৰক্ষা ব্যৱস্থা মহাবিদ্যালয়ক সন্মানজনক ৰাষ্ট্ৰপতিৰ পতাকা আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

২। হুলস্থূলীয়া পৰিস্থিতিৰ মাজত আজি সংসদৰ উভয় সদন স্থগিত ৰখা হয়।

৩। সশস্ত্ৰ সীমা বল এছ এছ বিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বাহিনীটোৰ অমৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে।

৪। ৰাজস্থানৰ জয়পুৰৰ ভানক্ৰোতা এলেকাত আজি পুৱাৰ ভাগত সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ৩৩ জন লোক আহত হয়।

*আৰু*

৫। নতুন দিল্লীত হ'বলগীয়া বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপৰ আয়োজন কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি এটা অনুষ্ঠানত ছেকেন্দ্ৰাবাদৰ প্ৰতিৰক্ষা ব্যৱস্থা মহাবিদ্যালয়ক সন্মানজনক ৰাষ্ট্ৰপতিৰ পতাকা আনুষ্ঠানিকভাৱে প্ৰদান কৰে। উল্লেখযোগ্য যে, কোনো প্ৰতিষ্ঠানৰ বৃত্তিগত উৎকৰ্ষতাৰ স্বীকৃতি স্বৰূপে এই সন্মানীয় ৰাষ্ট্ৰপতিৰ পতাকা প্ৰদান কৰা হয়।

এই উপলক্ষে এটা অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে কয়, যে প্ৰতিৰক্ষাৰ ক্ষেত্ৰত কেৱল আত্মনিৰ্ভৰশীলতা আৰু কৌশলগত অংশীদাৰিত্বই দেশৰ সীমান্ত সুৰক্ষিত কৰিব নোৱাৰে। এই সুৰক্ষাৰ বাবে কৌশলগত গোলকীয় অংশীদাৰিত্বও শক্তিশালী হ'ব লাগিব। প্ৰতিৰক্ষা খণ্ডত বিনিয়োগক উৎসাহিত কৰিবলৈ মেক ইন ইণ্ডিয়া, প্ৰতিৰক্ষা উদ্যোগৰ উন্নয়ন কৰিড'ৰৰ দৰে বিভিন্ন পদক্ষেপৰ জৰিয়তে প্ৰতিৰক্ষা খণ্ডক শক্তিশালী কৰি তুলিবলৈ চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰা বুলিও শ্ৰীমতী মুৰ্মুৱে প্ৰকাশ কৰে। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে কয়, যে থলুৱা উদ্ভাৱনক উৎসাহিত কৰাৰ বাবে বিভিন্ন থলুৱা প্ৰতিৰক্ষা সামগ্ৰী উৎপাদন কৰা হৈছে আৰু এই সামগ্ৰীসমূহ আমদানি কৰা নহ'ব। তেওঁ কয়, যে ভাৰতে প্ৰযুক্তিগত উন্নত সঁজুলি নিৰ্মাণ কৰি এটা নতুন পৰ্যায়ত আত্মনিৰ্ভৰশীলতাৰ লক্ষ্যত উপনীত হোৱাৰ এয়া উচিত সময়। আত্মনিৰ্ভৰ ভাৰত অভিযানৰ লক্ষ্য পূৰ্ণ কৰি তুলিবলৈ তেওঁ সশস্ত্ৰ সেৱা সমূহক অৰিহণা আগবঢ়াবলৈও আহ্বান জনায়।

ছেকেন্দ্ৰাবাদত অনুষ্ঠিত এই অনুষ্ঠান উপলক্ষে ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে এটা বিশেষ ডাক ক'ভাৰ মুকলি কৰিছে। এই অনুষ্ঠানতে তেলেংগানাৰ ৰাজ্যপাল জিষ্ণু দেৱ বাৰ্মাও প্ৰাচীন ভাৰতৰ জ্ঞানৰ মুকুতা শীৰ্ষক এখন গ্ৰন্থ উন্মোচন কৰে।

০০০০০০

হুলস্থূলীয়া পৰিস্থিতিৰ মাজত আজি সংসদৰ উভয় সদন স্থগিত ৰখা হয়। লোকসভাত আজি পুৱা সদন মিলিত হোৱাৰ সময়তে বিৰোধী পক্ষৰ সদস্যসকলে ড০ বি আৰ আম্বেদকাৰৰ প্ৰসংগত গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰা মন্তব্যৰ বিৰুদ্ধে শ্লোগান দিবলৈ আৰম্ভ কৰে। হুলস্থূলীয়া পৰিৱেশৰ মাজতে সদনৰ অধ্যক্ষ ওম বিৰলাই সাংসদসকলক কঠোৰভাৱে বিধি মানি চলিবলৈ  আৰু সংসদৰ কোনো এটা প্ৰৱেশদ্বাৰতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণৰ পৰা বিৰত থাকিবলৈ আহ্বান জনায়। সংসদৰ মৰ্যাদা ৰক্ষা কৰাটো প্ৰতিগৰাকী সদস্যৰ সামগ্ৰিক দায়িত্ব বুলি উল্লেখ কৰি সাংসদসকলক শৃংখলা ৰক্ষা কৰিবলৈ তেওঁ আহ্বান জনায়। এনে পৰিস্থিতিৰ মাজতে  এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ৰ দুখন বিধেয়ক সংসদৰ যুটীয়া সমিতিলৈ প্ৰেৰণৰ সিদ্ধান্ত লোৱা হয়। ইয়াৰ পাছত সদনৰ কামকাজ স্থগিত ৰখা হয়।

আনহাতে ৰাজ্যসভাতো আজি দিনটোৰ কামকাজ আৰম্ভ হোৱাৰ সময়তে শাসকীয় আৰু বিৰোধী উভয় পক্ষই শ্লোগান দি হুলস্থূলীয়া পৰিৱেশ সৃষ্টি কৰে। সদনৰ সভাপতি জগদীপ ধনখড়ে সাংসদসকলক জনসাধাৰণৰ আস্থা আৰু আশা-আকাংক্ষাক সন্মান জনাবলৈ আহ্বান জনোৱাৰ লগতে তেওঁলোকক দায়বদ্ধতা প্ৰদৰ্শনৰ বাবেও অনুৰোধ জনায়। সদনৰ কামকাজ ব্যাহত হোৱা বিষয়টোত উদ্বেগ প্ৰকশ কৰি তেওঁ কয়, যে এনে ধৰণৰ অচলাৱস্থাই জনসাধাৰণৰ বিশ্বাস তথা আশা-আকাংক্ষাক ভেঙুচালি কৰে। যুক্তিসংগত আলাপ-আলোচনাৰ পৰিৱৰ্তে কেৱল বিশৃংখলতা পৰিলক্ষিত হোৱাৰ বিষয়টো উদ্বেগ প্ৰকাশ কৰি উচ্চ সদনৰ সভাপতিগৰাকীয়ে দল-মত নিৰ্বিশেষে প্ৰতিগৰাকী সাংসদকে নিজ নিজ বিবেকৰ স্থিতি পৰ্যৱেক্ষণ কৰিবলৈকো অনুৰোধ জনায়।

০০০০০০

এখন ৰাষ্ট্ৰ, এটা নিৰ্বাচন বিষয়ক বিধেয়ক দুখন আজি যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণ কৰা হয়। লোকসভাৰ ২৭ গৰাকী সদস্য আৰু ৰাজ্যসভাৰ ১২ গৰাকী সদস্যৰে এই সমিতিখনত গঠন কৰা হৈছে। আজি পুৱা সদন মিলিত হোৱাৰ সময়ত কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে সংবিধানৰ ১২৯ সংখ্যক সংশোধনী বিধেয়ক ২০২৪ আৰু কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক ২০২৪ যুটীয়া সংসদীয় সমিতিলৈ প্ৰেৰণৰ বাবে প্ৰস্তাৱ উত্থাপন কৰে। এই সমিতিখনে সংসদৰ পৰৱৰ্তী অধিৱেশনৰ শেষৰ সপ্তাহৰ প্ৰথম দিনা সদনত এই বিধেয়ক দুখনৰ সন্দৰ্ভত তথ্য দাখিল কৰিব। এই সংসদীয় পেনেলত বিজেপিৰ নেতা পি পি চৌধৰী, অনুৰাগ সিং ঠাকুৰ, পুৰুষোত্তমভাই ৰুপালা, কংগ্ৰেছৰ প্ৰিয়ংকা গান্ধী আৰু মনিষ তিৱাৰী, টি এম চিৰ কল্যাণ বেণাৰ্জী, এন চি পিৰ সুপ্ৰিয়া সুলেকে ধৰি আন কেইবাগৰাকী লোকসভাৰ সদস্য আছে।

০০০০০০

সংসদ ভৱনত কালি হেঁচা-ঠেলাৰ এটা ঘটনাত আহত হোৱা বিজেপি সাংসদ দুগৰাকীৰ অৱস্থা সম্প্ৰতি সুস্থিৰ। কেন্দ্ৰীয় মন্ত্ৰী কিৰেন ৰিজিজুৱে আজি এই কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে  জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে ঠেলা মাৰি দিয়াৰ ফলত এই সাংসদ দুগৰাকী আহত হোৱা বুলি অভিযোগ উত্থাপিত হৈছিল। সংসদ ভৱনত সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয়, যে সাংসদসকলে সংসদৰ মৰ্যাদা ৰক্ষা কৰি চলা উচিত আৰু কোনো ধৰণে শাৰীৰিক শক্তি প্ৰয়োগৰ পৰা বিৰত থকা উচিত।

কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে আজি নতুন দিল্লীৰ আৰ এম এল হস্পিতালত বিজেপিৰ আহত সাংসদ প্ৰতাপ ছাৰাংগীক সাক্ষাৎ কৰে। পাছত সংবাদ মাধ্যমৰ সৈতে মত বিনিময় কৰি তেওঁ এই বুলি অভিযোগ কৰে যে, কংগ্ৰেছ নেতা ৰাহুল গান্ধীৰ বিৰোধী দলপতিৰ পদ অধিকাৰ কৰি থকাৰ সামৰ্থ নাই। ১৯৭৫ চনত ইন্দিৰা গান্ধীয়ে গণতন্ত্ৰৰ কণ্ঠ ৰোধ কৰাৰ চেষ্টা কৰিছিল বুলি অভিযোগ কৰি তেওঁ লগতে কয়, যে সম্প্ৰতি ৰাহুল গান্ধীয়ে এনে কাৰ্যৰ উত্তৰাধিকাৰৰ পৰিচয় দিছে। গণতন্ত্ৰ আৰু সংসদৰ প্ৰতি কৰা উপলুঙাক দেশৰ জনসাধাৰণে কেতিয়াও সহ্য নকৰে বুলিও তেওঁ মতপ্ৰকাশ কৰে।

০০০০০০

সশস্ত্ৰ সীমা বল এছ এছ বিৰ প্ৰতিষ্ঠা দিৱস উপলক্ষে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বাহিনীটোৰ অমৰ ছহীদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰিছে। গৃহমন্ত্ৰীগৰাকীয়ে এই বাহিনীৰ প্ৰতিগৰাকী জোৱান আৰু তেওঁলোকৰ পৰিয়ালসমূহলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত শ্ৰী শ্বাহে কয়, যে ভাৰতৰ এছ এছ বিয়ে ত্যাগ আৰু বীৰত্বৰ জৰিয়তে ৰাষ্ট্ৰীয় সুৰক্ষা তথা জনসেৱাক সৰ্বাধিক অগ্ৰাধিকাৰ প্ৰদান কৰি আহিছে। তেওঁ সীমাৰ সীপাৰৰ পৰা সংঘটিত অপৰাধ আৰু অনুপ্ৰৱেশ প্ৰতিহত কৰাৰ হকে এছ এছ বিৰ সাহসী জোৱানসকলৰ প্ৰয়াসক অনুকৰণীয় বুলি অভিহিত কৰে। গৃহমন্ত্ৰীগৰাকীয়ে লগতে কয়, যে সীমামূৰীয়া অঞ্চলসমূহত উন্নয়নমূলক কামকাজ ত্বৰান্বিত কৰাৰ সমান্তৰালভাৱে দেশৰ সুৰক্ষাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি বাহিনীটোৰ সাহসী জোৱানসকলে ৰাষ্ট্ৰ গঠনৰ প্ৰতি অহৰহ অৰিহনা আগবঢ়াই আহিছে।

আনহাতে পশ্চিমবংগৰ ছিলিগুড়িৰ ৰাণীদাংগাত আয়োজিত এছ এছ বিৰ ৬১ সংখ্যক প্ৰতিষ্ঠা দিৱসত অংশগ্ৰহণ কৰি গৃহমন্ত্ৰী অমিত শ্বাহে ছহীদসকলৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰাৰ লগতে জোৱানসকলৰ অভিবাদন গ্ৰহণ কৰে। এছ এছ বিৰ সঞ্চালক প্ৰধান অমৃত মোহন প্ৰসাদেও ভাগ লোৱা এই অনুষ্ঠাত শ্ৰী শ্বাহে এছ এছ বিৰ জোৱানসকলক সাহসিকতাৰ বঁটা প্ৰদান কৰে।

০০০০০০

ৰাজস্থানৰ জয়পুৰৰ ভানক্ৰোতা এলেকাত আজি পুৱাৰ ভাগত সংঘটিত এটা পথ দুৰ্ঘটনাত ৭ জন লোকে প্ৰাণ হেৰুওৱাৰ লগতে আন ৩৩ জন লোক আহত হয়। জয়পুৰ-আজমেৰ ৰাষ্ট্ৰীয় ঘাইপথেৰে ৰাসায়নিক সামগ্ৰী কঢ়িয়াই নিয়া এখন ট্ৰাকৰ সৈতে আন কেইখনমান যান-বাহনৰ খুন্দা লগাৰ ফলত কেইবাখনো গাড়ীত অগ্নি সংযোগ ঘটাৰ ফলত এই লোককেইজন হতাহত হয় বুলি জয়পুৰৰ প্ৰশাসনীয় বিষয়া জিতেন্দ্ৰ ছোনীয়ে জানিবলৈ দিয়ে। আহতসকলক ততাতৈয়াকৈ এছ এম এছ হাস্পিতেলত ভৰ্তি কৰোৱা হৈছে। তেওঁলোকৰ মাজৰ কেইবাজনৰো অৱস্থা সংকটজনক বুলি প্ৰকাশ পাইছে। ৰাজ্যখনৰ মুখ্যমন্ত্ৰী ভজনলাল শৰ্মা আৰু স্বাস্থ্য মন্ত্ৰী গজেন্দ্ৰ সিং ক্ষিনছাৰকে ধৰি মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াসকলে চিকিৎসালয়খনত উপস্থিত হৈ আহতসকলৰ অৱস্থাৰ বুজ লয়।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত **বিদেশ ভ্ৰমণৰ খুঁটি-নাটি** শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত

ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৯ ডিচেম্বৰত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব  অনুষ্ঠানটোৰ ১১৭ সংখ্যক খণ্ড। জনসাধাৰণে এই অনুষ্ঠানৰ বাবে নিজৰ মতামত আৰু পৰামৰ্শ ১৮০০ ১১ ৭৮০০ টোল ফ্ৰী নম্বৰলৈ প্ৰেৰণ কৰিব পাৰে। নমো এপ' নাইবা মাই গভ মুকলি মঞ্চৰ জৰিয়তেও জনসাধাৰণে নিজৰ পৰামৰ্শ প্ৰেৰণ কৰিব পাৰে। অহা ২৭ ডিচেম্বৰ পৰ্যন্ত মতামত আৰু পৰামৰ্শসমূহ প্ৰেৰণ কৰিব পাৰিব। এই অনুষ্ঠানত আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি airnews ৱেৱছাইট আৰু newsonair মোবাইল এপত উপলব্ধ হ'ব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগে এই অনুষ্ঠান লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

নতুন দিল্লীত হ'বলগীয়া বিশ্ব পেৰা এথলেটিকছ চেম্পিয়নশ্বিপৰ আয়োজন কৰা হৈছে। নতুন দিল্লীৰ জৱাহৰলাল নেহৰু ষ্টেডিয়ামত  অহা বছৰৰ ২৬ ছেপ্তেম্বৰৰ পৰা ৫ অক্টোবৰলৈ এই প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। বিশ্ব পেৰা এথলেটিকছে কালি ঘোষণা কৰা মতে ভাৰতত প্ৰথমবাৰৰ বাবে এই প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। এয়া হ'ব প্ৰতিযোগিতাখনৰ দ্বাদশ সংস্কৰণ। চতুৰ্থবাৰৰ বাবে এছিয়া মহাদেশত  আয়োজন কৰা এই প্ৰতিযোগিতা ইয়াৰ পূৰ্বে ২০১৫ চনত দোহাত ২০১৯ত ডুবাই আৰু এই বছৰ কোবেত অনুষ্ঠিত হৈছিল। ভাৰতৰ ৰাজধানী চহৰখনত ইয়াৰ লগতে অহা বছৰ প্ৰথমবাৰৰ বাবে ১১ৰ পৰা ১৩ মাৰ্চলৈ বিশ্ব পেৰা এথলেটিকছ গ্ৰাঁ প্ৰি অনুষ্ঠিত হ'ব।

০০০০০০

সমাপ্ত